**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-12-2024 **Time :** 07-55 Hrs.

## Assamese Morning Bulletin

দেশত সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰ উপলক্ষে আজি ৰাজ্যসভাত সংবিধান সন্দৰ্ভত দুদিনীয়া বিতৰ্ক অনুষ্ঠিত হ'ব। লোকসভাতো যোৱা শুকুৰ আৰু শনিবাৰে এই একেই বিতৰ্ক অনুষ্ঠিত হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ উচ্চ সদনত এই বিতৰ্কত অংশ লোৱাৰ কথা আছে।

ভাৰতীয় সংবিধানৰ এই বিতৰ্কৰ সময়ত আজি আৰু কাইলৈ ৰাজ্যসভাত উপস্থিত থাকিবলৈ বিজেপিয়ে তেওঁলোকৰ দলৰ সকলো সংসদৰ প্ৰতি হুইপ জাৰি কৰিছে।

সংবিধান সভাই ১৯৪৯ চনৰ ২৬ নৱেম্বৰত গৃহীত কৰা ভাৰতীয় সংবিধান ১৯৫০ চনৰ ২৬ জানুৱাৰীত কাৰ্যকৰী কৰা হৈছিল। এই সংবিধানে ভাৰতক এখন সাৰ্বভৌম গণতান্ত্ৰিক গণ্যৰাজ্যৰূপে স্বীকৃতি প্ৰদান কৰিছে। উল্লেখযোগ্য যে, ২০১৫ চনত নৰেন্দ্ৰ মোদী চৰকাৰে ১৯৪৯ চনত ভাৰতীয় সংবিধান গৃহীত হোৱাৰ সন্মান স্বৰূপে ২৬ নৱেম্বৰৰ দিনটো সংবিধান দিৱস হিচাপে ঘোষণা কৰিছিল।

oooooo

অসম সাহিত্য সভাৰ প্ৰথমগৰাকী সভাপতি পদ্মনাথ গোহাঞি বৰুৱাৰ ১৫৩ বছৰীয়া জয়ন্তী উপলক্ষে কালি তেজপুৰৰ কেইবাটাও অনুষ্ঠানে সাহিত্যিকগৰাকীক বিশেষভাৱে স্মৰণ কৰে। তেজপুৰৰ ঐতিহ্যমণ্ডিত বান থিয়েটাৰ, তেজপুৰ সাহিত্য সভা, অসমীয়া ভাষা উন্নতি সাধিনী সভা, লেখিকা সমাৰোহ সমিতি আৰু পদ্মনাথ গোহাঞি বৰুৱা শাখা সাহিত্য সভাৰ উদ্যোগত এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভাৰ লগতে সাহিত্যিকগৰাকীৰ নাতি সঞ্জয় কৃষ্ণ গোহাঞি বৰুৱা আৰু উদয় কৃষ্ণ গোহাঞি বৰুৱাও উপস্থিত থাকে।

oooooo

যুক্তিবাদী লেখক ড০ শিৱনাথ বৰ্মনৰ সোঁৱৰণত বিজ্ঞানমনস্ক যাত্ৰাৰ উদ্যোগত ৰাজ্যৰ বিভিন্ন ঠাইত কালি বৈজ্ঞানিক চেতনা দিৱস উদযাপন কৰা হয়। সমাজত বিজ্ঞানমনস্কতাৰ প্ৰচাৰ তথা অন্ধবিশ্বাস, কুসংস্কাৰৰ বিৰুদ্ধে সচেতনতা সৃষ্টিৰ বাবে যোৰহাট, বিশ্বনাথ চাৰিআলি আদি জিলাত এই দিৱস পালন কৰা হয়। বিজ্ঞানমনস্ক যাত্ৰাৰ তিনিচুকীয়া শাখা, বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজ, অসম বিজ্ঞান সমিতিৰ তিনিচুকীয়া শাখা আৰু ইলোৰা বিজ্ঞান মঞ্চ তিনিচুকীয়া শাখাৰ উদ্যোগত তিনিচুকীয়া জিলাতো এই দিৱস আয়োজন কৰা হয়।

oooooo

সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যালয় ভৱনটো কালি মুকলি কৰা হয়। ৰাজ্যৰ কবিসকলক এখন উমৈহতীয়া মঞ্চৰ জৰিয়তে কাব্য চৰ্চাৰ পৰিৱেশ গঢ়ি তোলাৰ উদ্দেশ্যে আৰম্ভ হোৱা সন্মিলনৰ ৩৭ বছৰৰ পিছত

এই স্থায়ী ঠিকনা লাভ কৰিবলৈ সক্ষম হৈছে। কালি অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত ড০ কুটুবুদ্দিন আহমেদৰ সোঁৱৰণত নিৰ্মাণ কৰা ভৱনটো সন্মিলনৰ প্ৰতিষ্ঠাপক প্ৰধান সম্পাদক আনন্দ দত্ত, সভাপতি বংশী বৰা আৰু ভৱনটোৰ দাতা এলিজা বেগমে উদ্বোধন কৰে। কালিৰ অনুষ্ঠানত ভৱনটোৰ লগতে কবি ৰাম গগৈ, ড০ কুটুবুদ্দিন আহমেদ আৰু আনন্দ দত্তৰ আৱক্ষ মূৰ্তি উন্মোচন কৰা হয়।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ডিচেম্বৰত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব  অনুষ্ঠানটোৰ ১১৭ সংখ্যক খণ্ড। জনসাধাৰণে এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ ১৮০০ ১১ ৭৮০০ টোল ফ্ৰী নম্বৰলৈ প্ৰেৰণ কৰিব পাৰে। নমো এপ' নাইবা মাই গভ মুকলি মঞ্চৰ জৰিয়তেও জনসাধাৰণে নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। অহা ২৭ ডিচেম্বৰ পৰ্যন্ত মতামত আৰু পৰামৰ্শসমূহ প্ৰেৰণ কৰিব পাৰিব। এই অনুষ্ঠানত আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৱছাইট আৰু newsonair মোবাইল এপত উপলব্ধ হ'ব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগে এই অনুষ্ঠান লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

শিৱসাগৰ জিলাৰ জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হোৱা সদৌ অসম আমন্ত্ৰণমূলক প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ কালি সামৰণি পৰে। কালি প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত ডিব্ৰুগড়ৰ মাইজান এফ চিয়ে গহপুৰ ফুটবল একাদশক ২-১ গলৰ ব্যৱধানত পৰাস্ত কৰি বিজয়ীৰ সন্মান লাভ কৰে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। সবিশেষ জানিবলৈ আৰু আবেদন পত্ৰ ডাউনলোড কৰিবলৈ প্ৰাৰ্থীয়ে www.newsonair.gov.in ত লগ ইন কৰিব পাৰে। অহা ১০ জানুৱাৰী ২০২৫ৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ The Head of Office, Akashvani, Guwahati, Guwahati-৭৮১০০৩ লৈ পঠাব লাগিব। প্ৰাৰ্থীয়ে নিজ হাতেও আবেদন পত্ৰ জমা দিব পাৰে।

০০০০০০

বিশিষ্ট তবলাবাদক জাকিৰ হুছেইনৰ কালি দেহাৱসান ঘটে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ছানফ্ৰান্সিস্কো চহৰৰ এখন চিকিৎসালয়ত ৰক্তচাপজনিত অসুখত শিল্পীগৰাকী চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৩ বছৰ।

০০০০০০

**সমাপ্ত**